জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৮২৪/২০২০

<u>নগাঁও আৰু গোলাঘাট জিলাৰ উপায়ুক্ত, আৰক্ষী অধীক্ষকৰে মুখ্যমন্ত্ৰীৰ বৈঠক</u>

# ড্ৰাগছৰ চোৰাং বেহা কৰা সকলৰ প্ৰতি শূন্য সহনশীল নীতি গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দিছপুৰ, ১০ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি কাজিৰঙাৰ কঁহৰাস্থিত আৰক্ষী অতিথিশালাত নগাঁও আৰু গোলাঘাট জিলাৰ উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকৰ সৈতে এক বৈঠকত মিলিত হৈ জিলা দুখনত ৰূপায়ণ হৈ থকা বিভিন্ন উন্নয়নমূলক আঁচনিৰ পৰ্যালোচনা কৰাৰ উপৰি জিলা দুখনৰ আইন-শৃংখলা পৰিস্থিতিৰো পৰ্যালোচনা কৰে।

বৈঠকত মুখ্যমন্ত্ৰীয়ে নৱ প্ৰজন্মৰ মাজত মাদক দ্ৰব্য আৰু ড্ৰাগছৰ আসক্তি ক্ৰমাগতভাৱে বৃদ্ধি পোৱাৰ দিশটো আঙুলিয়াই এই ক্ষেত্ৰত উপযুক্ত পদক্ষেপেৰে ড্ৰাগছৰ সৰবৰাহ ৰোধ কৰাৰ দিশত অধিক তৎপৰ হ'বলৈ আৰক্ষীক নিৰ্দেশ দিয়ে। ড্ৰাগছৰ চোৰাং বেহা কৰা সকলৰ প্ৰতি শূন্য সহনশীল নীতি গ্ৰহণ কৰাৰ ওপৰতো মুখ্যমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে। বৈঠকত কাজিৰঙা পৰ্যটনৰ বৰ্তমানৰ অৱস্থাৰ বিষয়ে বিষদভাৱে আলোচনা কৰা হয়। দেশী-বিদেশী পৰ্যটকসকলে যাতে কোনো ধৰণৰ অসুবিধাৰ সন্মুখীন হ'ব নালাগে সেই দিশত যথোচিত ব্যৱস্থা গ্ৰহণ কৰিবলৈও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। বৈঠকত বৰ্তমান কাজিৰঙাত থকা গড়ৰ সংখ্যা আৰু গড়ৰ সুৰক্ষাৰ দিশত লোৱা ব্যৱস্থাৱলীৰ সম্পৰ্কত পৰ্যালোচনা কৰা হয়। মুখ্যমন্ত্ৰীয়ে ৰাষ্ট্ৰীয় উদ্যানখনত থকা বাঘ আৰু অজগৰ সাপৰ জনসংখ্যাৰো তথ্য লয়। মুখ্যমন্ত্ৰীয়ে ৰিভাৰ ডলফিনৰ সংৰক্ষণৰ ক্ষেত্ৰত যথোচিত ব্যৱস্থা ল'বলৈ নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে কাজিৰঙাৰ অৰ্ন্তভাগত থকা বিলসমূহত পানীৰ তলত থকা উদ্ভিদৰ বিষয়ে বিশেষজ্ঞৰ দ্বাৰা পৰীক্ষণমূলক অধ্যয়ন কৰিবলৈও পৰামৰ্শ আগবঢ়ায়। মুখ্যমন্ত্ৰীয়ে কাজিৰঙাৰ অৰ্ন্তভাগত থকা বিলসমূহত যাতে বছৰৰ বাৰ মাহে পানী থাকে আৰু প্ৰকৃতিৰ এই অৱদান যাতে ভালদৰে সংৰক্ষণ হয় সেই দিশতো সুনিশ্চিত পদক্ষেপ ল'বলৈ কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে জৈৱ বিবিধতাৰ হট্‌স্পট্ ৰূপেপৰিগণিত কাজিৰঙাৰ জৈৱ বিবিধতাৰ এক সম্যক অধ্যয়ন কৰাৰ পদক্ষেপ ল'বলৈও নিৰ্দেশ দিয়ে।

আজিৰ এই পৰ্যালোচনা বৈঠকতে মুখ্যমন্ত্ৰীয়ে জিলা দুখনত মাটিৰ পট্টা প্ৰদানৰ কামৰ অগ্ৰগতিৰো খতিয়ান লয়। মুখ্যমন্ত্ৰীয়ে সকলোবোৰ চৰকাৰী আঁচনি যাতে সুচাৰুৰূপে তথা ফলপ্ৰসূভাৱে কাৰ্যকৰী হয় আৰু প্ৰতিগৰাকী যোগ্য হিতাধিকাৰীয়ে যাতে চৰকাৰী আঁচনিৰ সুফল লাভ কৰাটো নিশ্চিত কৰিব পৰা যায় তাৰ প্ৰতি বিশেষ গুৰুত্ব প্ৰদানৰ বাবেও নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে গাঁও পৰ্যায়ত যাতে চৰকাৰী আঁচনিসমূহৰ বিষয়ে উপযুক্ত সজাগতা সৃষ্টি কৰিব পৰা যায় সেই দিশত যথোচিত গুৰুত্ব প্ৰদান কৰাৰ বাবেও নিৰ্দেশ দিয়ে। গ্ৰামাঞ্চলৰ যাতে সদায়ে স্বচ্ছ পৰিৱেশ বিৰাজমান হৈ থাকে এই দিশত গাঁও পঞ্চায়তৰ

বিষয়ববীয়াসকলৰ লগত আলোচনা কৰি কৰ্মপন্থা গ্ৰহণৰ বাবেও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। গ্ৰামাঞ্চলৰ উন্নয়নে যাতে বিশেষ গতি লাভ কৰিব পাৰে তাৰ বাবে গাঁও পঞ্চায়ত নিয়মীয়াকৈ পৰিদৰ্শন কৰাৰ বাবেও উপায়ুক্তদ্বয়ক মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে।

বৈঠকত মুখ্যমন্ত্ৰীয়ে জিলা দুখনত প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনা আঁচনিৰ অধীনত নিৰ্মাণ কৰি থকা পথসমূহৰো তথ্য লয় আৰু ইয়াৰ জৰিয়তে কিমান সংখ্যক গাঁও উন্নত পথ যোগাযোগ ব্যৱস্থাৰ দ্বাৰা সংযোজিত হ'ব তাৰো তথ্য লয়। কৃষকসকলৰ দ্বাৰা উৎপাদিত ধানৰ ক্ৰয়ৰ ওপৰতো আজিৰ বৈঠকত আলোচনা কৰা হয়। আজিৰ এই বৈঠকতে মুখ্যমন্ত্ৰীয়ে জিলাদুখনত আধাৰ পঞ্জীয়নৰ অগ্ৰগতিৰ বিষয়টো পৰ্যালোচনা কৰি এই পঞ্জীয়নৰ কাম ক্ষিপ্ৰতাৰে সম্পন্ন কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। আজিৰ এই বৈঠকতে মুখ্যমন্ত্ৰীয়ে অস্ত্ৰ-শস্ত্ৰৰ অনুজ্ঞাপত্ৰ প্ৰদানৰ পূৰ্বে বিশেষভাৱে পৰীক্ষা কৰাৰ পদক্ষেপ ল'বলৈও উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকদ্বয়ক নিৰ্দেশ দিয়ে যাতে এই অনুজ্ঞাপত্ৰ লাভ কৰা অস্ত্ৰ-শস্ত্ৰৰ জৰিয়তে কোনেও অনৈতিক কাম কৰিব নোৱাৰে। আজিৰ এই বৈঠকতে মুখ্যমন্ত্ৰীয়ে জিলা দুখনত জলসম্পদ বিভাগে ৰূপায়ণ কৰি থকা বান আৰু খহনীয়া প্ৰতিৰোধৰ আঁচনিৰ বিষয়েও বুজ লয়। মুখ্যমন্ত্ৰীয়ে আত্মনিৰ্ভৰশীল অসম গঢ়াৰ বাবে এক উপযুক্ত পৰিৱেশ সৃষ্টি কৰাৰ দিশত পদক্ষেপ ল'বলৈ উপায়ুক্তদ্বয়ক নিৰ্দেশ দিয়ে। মহিলা আত্ম-সহায়ক গোটসমূহৰ লগতো আলোচনা কৰিবলৈ মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে।

আজিৰ এই বৈঠকত গোলাঘাট জিলাৰ উপায়ুক্ত বিভাস চন্দ্ৰ মোদী, আৰক্ষী অধীক্ষক পুষ্পৰাজ সিং, নগাঁও জিলাৰ উপায়ুক্ত কবিতা পদ্মনাভৱন, আৰক্ষী অধীক্ষক গৌৰৱ অভিজিৎ, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সঞ্চালক পি শিৱকুমাৰৰ লগতে জিলা দুখনৰ অন্যান্য শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**মাঃবঃ / পুঃডেঃ / বঃভাঃ**
**১০/১২/২০২০**